BA IIS (RC+HG)

(1)



## ইক্তাদাৰী প্ৰথা ।

আৰবী শব্দ ইক্তাৰ অৰ্থ হ'ল প্ৰশাসনিক ভাগ। দিল্লীৰ তুৰ্কী-মুছলমান চুলতানসকলে তেওঁলোকৰ সাম্ৰাজ্যখন কিছুমান ইক্তাত ভাগ কৰিছিল প্ৰশাসনিক সুবিধাৰ বাবে। ইক্তা বা প্ৰদেশসমূহৰ সংখ্যা প্ৰতিজন চুলতানৰ দিনত বেলেগ হোৱা দেখা যায়। চুলতান আলাউদ্দিনৰ সময়ত এইবোৰ দুভাগত ভগোৱা হৈছিল — (১) পূৰ্বৰে পৰা সাম্ৰাজ্যৰ অন্তৰ্গত ইক্তাসমূহ আৰু (২) নতুনকৈ জয় কৰা অঞ্চলসমূহক লৈ গঠন কৰা ইক্তাসমূহ। প্ৰথম শ্ৰেণীৰ অন্তৰ্গত ইক্তাসমূহ সাধাৰণতে ইক্তাদাৰ, মুক্তি বা ৱালিয়ে শাসন কৰিছিল। নতুনকৈ অধিকৃত অঞ্চলক লৈ গঠিত ইক্তাসমূহ সামৰিক শাসনকৰ্তাৰ অধীনস্থ আছিল। কিছুমান ইক্তাৰ আয়তন যথেষ্ট ডাঙৰ আছিল আৰু এইবোৰ আমীৰ সকলৰ অধীনস্থ আছিল।

প্ৰশাসনিক সুবিধাৰ্থে ইক্তাসমূহক কিছুমান শিকত ভাগ কৰি শিকদাৰৰ হাতত দায়িত্ব দিয়া হৈছিল। শিকসমূহক পৰগনাত ভগোৱা হৈছিল আৰু এইবোৰ চোৱা-চিতাৰ দায়িত্বত আছিল মুনচিফ আৰু কাননগুসকল। পৰগণাসমূহ পুনৰায় গাওঁত ভাগ কৰা হৈছিল আৰু ইয়াৰ দায়িত্বত আছিল গাওঁসভা বা পঞ্চায়তসমূহ।

চুলতানী আমোলত ইক্তাদাৰসকলক যথেষ্ট ক্ষমতা আৰু দায়িত্ব প্ৰদান কৰা হৈছিল। সাধাৰণতে এই বিষয়াজনক চুলতানে প্ৰত্যক্ষভাৱে নিযুক্তি দিছিল আৰু তেওঁ চুলতানৰ আদেশ পালন কৰিব লাগিছিল। কেন্দ্ৰত চুলতানে ভোগ কৰা ক্ষমতাৰ সমানেই ক্ষমতা ইক্তাদাৰে ইক্তাত ভোগ কৰিছিল। ইক্তাদাৰে সামৰিক বাহিনীৰ যোগান ধৰিছিল চুলতানৰ প্ৰয়োজন সাপেক্ষে। ইক্তাৰ ৰাজহ সংগ্ৰহৰ সম্পূৰ্ণ দায়িত্ব তেওঁৰ ওপৰত আছিল আৰু আয়-ব্যয়ৰ সম্পূৰ্ণ হিচাব চুলতানক দিব লাগিছিল। দুৰ্বল চুলতানসকলৰ ৰাজত্বকালত ইক্তাদাৰসকলেই সাম্ৰাজ্যৰ সৰ্বেসৰ্বা হৈ পৰিছিল।